# Amrit Mahutsav

"Surya Namaskar Progarmme" was organized by the Departments of Assamese and Education in regard to "75th years of Independence – "Azadi ka Amrit Mahutsav. Date:- 03/02/2022






## চৰাইবাহী মহাবিদ্যালয়ত সূৰ্য নমস্কাৰ কাৰ্যসূচী ৰূপায়ণ

দৈনন্দিন বাৰ্তাৰ সেবা, ভূৰাগাঁও, ৩ ফেব্ৰুৱাৰী ঃ সমগ্ৰ দেশতে দেশৰ ৭৫সংখ্যাক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি অমৃত মহোৎসৱৰ অংশ হিচাপে অনুষ্ঠিত হৈ থকা ৭৫ কোটি সূৰ্য নমস্কাৰ মহাযজ্ঞ আজি মৰিগাঁও জিলাৰ চৰাইবাহী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগ, শিক্ষা বিভাগ আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ধাৰণ কোষৰ উদ্যোগত আৰু মৰিগাঁও জিলা ক্ৰীড়া ভাৰতীৰ সহযোগত অনুষ্ঠিত হোৱা সূৰ্য নমস্কাৰ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড কমল চন্দ্ৰ নাথে। মহাবিদ্যালয়ৰ অধ্যাপিকা নাজমা বিগমে আঁত ধৰা এই অনুষ্ঠানটি পৰিচালনা কৰে মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক লক্ষ্যজ্যোতি হাজৰিকাই।